প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# গ্ৰামোন্নয়ন আঁচনিৰ ৰূপায়ণ অধিক ফলপ্ৰসূ আৰু খৰতকীয়া কৰাৰ পদক্ষেপ সম্পৰ্কত বুজ ল'বলৈ আয়ুক্তালয়ত উপস্থিত প্ৰধান সচিব ডাঃ এক্কা

**গুৱাহাটী ২০জুনঃ** "টীম ৰুৰেল ডেভেলপমেণ্ট হিচাপে কাম কৰিবলৈ হ'লে বিভাগৰ উচ্চ স্তৰৰ বিষয়াসকলে ক্ষেত্ৰীয় বিষয়াসকলৰ লগত প্ৰতিটো মুহূৰ্ততে যোগাযোগ অব্যাহত ৰাখি তেওঁলোকৰ কাম-কাজৰ বুজ লোৱাৰ উপৰি বিভিন্ন পৰিকল্পনা যুগুতাই তেওঁলোকক সহায় কৰিব লাগিব।" — আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তৰ সভাকক্ষত আয়ুক্তালয়ৰ বিষয়াসকলৰ সৈতে হোৱা এক পৰ্যলোচনামূলক বৈঠকত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই এইদৰে কয়।

উল্লেখযোগ্য যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেৰ তৎপৰতাত গ্ৰামোন্নয়নৰ আঁচনিসমূহ ফলপ্ৰসূ তথা খৰতকীয়াকৈ ৰূপায়ণ কৰাৰ বাবে বিভাগৰ বিষয়াসকলে তৎপৰতাৰে কাম কৰি আছে। ইয়াৰ বাবে সকলো আঁচনি ৰূপায়ণ সন্দৰ্ভত মন্ত্ৰী দলেৰ উপস্থিতিত ভিডিঅ' কনফাৰেন্সিং আৰু জিলাই জিলাই পৰ্যলোচনা সভা অনুষ্ঠিত কৰি মিছন মোডত আঁচনি ৰূপায়ণ সম্পৰ্কত মুখামুখি হোৱা বিভিন্ন সমস্যা সম্বন্ধে আলোচনা কৰি ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰাৰ লগতে বিভাগৰ উচ্চ স্তৰতো নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰি কাৰ্য পৰিকল্পনা যুগুত কৰি থকা হৈছে। ইয়াৰে অংশ হিচাপে প্ৰধান সচিবগৰাকীয়ে আজি আয়ুক্তালয়ৰ বিষয়াসকলৰ লগত পুনৰ মিলিত হয়।

বৈঠকত ডাঃ এক্কাই প্ৰতিখন আঁচনি সম্পৰ্কত বিশদভাৱে আলোচনা কৰি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। বহিঃৰাজ্যৰ পৰা অহা লোকসকলৰ তথ্য আহৰণ প্ৰক্ৰিয়া অধিক খৰতকীয়া কৰিবৰ বাবে জিলা উপায়ুক্তসকলৰ পৰা বিভিন্ন জিলাৰ লোকৰ তালিকা মোবাইল নম্বৰৰ সৈতে সংগ্ৰহ কৰি তেওঁলোকলৈ বাৰ্তা প্ৰেৰণ কৰি পোনপটীয়াকৈ তেওঁলোকৰ তথ্য আপলোড কৰাবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে সঘনাই যোগাযোগ ৰক্ষা কৰি সজাগতা সৃষ্টি কৰাৰ বাবে চলিত মাহত এমজিএনৰেগাৰ ৰূপায়ণ পূৰ্বতকৈ অধিক উন্নত হৈছে। চলিত বৰ্ষত লক ডাউন শিথিল কৰাৰ পিছত এতিয়ালৈ প্ৰায় ১.২৮ লাখ গৰাকী সদস্যক সামৰি প্ৰায় ৪৫ হাজাৰ পৰিয়ালক জব কাৰ্ড প্ৰদান কৰা হৈছে আৰু ১৮৭ কোটি টকা ব্যয়েৰে ৮৬.৭৮ লাখ কৰ্মদিন সৃষ্টি কৰা হৈছে। সময়মতে মজুৰি প্ৰদানৰ ক্ষেত্ৰতো যথেষ্ট সফলতা লাভ কৰা হৈছে। আগন্তুক দিনত সকলোৰে সহযোগিতাত বিভাগে যাতে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় কৰাত বিশেষ অৰিহনা যোগাব পাৰে তাৰ বাবে সকলোকে একাগ্ৰতাৰে কাম কৰিবলৈ প্ৰধান সচিবগৰাকীয়ে আহ্বান জনায়।

পিএমএৱাই-জিৰ ক্ষেত্ৰটো যোৱা ২০ এপ্ৰিলৰ পৰা এতিয়ালৈ ২৮ হাজাৰতকৈ অধিক আৱাস গৃহ সম্পূৰ্ণ কৰা হৈছে। এই আঁচনি আৰু অধিক সফল ৰূপায়ণৰ বাবে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ আৱাসগৃহসমূহৰ অনুমোদন প্ৰক্ৰিয়া অনতিপলমে সমাপ্ত কৰাৰ অৰ্থে দৈনিক নিৰীক্ষণৰ কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। আনহাতে নতুনকৈ গ্ৰহণ কৰা চাহবাগিছা ভিত্তিত হিতাধিকাৰী চিনাক্তকৰণ প্ৰক্ৰিয়াই এই আৱাসগৃহসমূহৰ বাবে ভূমি নিৰ্দ্ধাৰণ কৰাত সহায়ক হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। আনহাতে প্ৰকৃত হিতাধিকাৰীয়ে পেন্সন লাভ কৰাটো নিশ্চিত কৰিবলৈ প্ৰতি তিনিমাহৰ ব্যৱধানত পেন্সন আঁচনিসমূহৰ হিতাধিকাৰী পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ ব্যৱস্থা কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে। চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনিসমূহ আৰম্ভ কৰাৰ ক্ষেত্ৰতো সুক্ষ্মভাৱে নিৰীক্ষণ কৰি ক্ষেত্ৰীয় পৰ্যায়ত বিষয়াসকলক সজাগ কৰিবলৈ তেওঁ কয়।

আজিৰ সভাত বিভাগৰ আয়ুক্ত হেমেন দাসকে ধৰি আয়ুক্তালয়ৰ বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/২০-০৬-২০২০*